# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। সংসদৰ উভয় সদনত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰা হয়।

২। বিগত বিত্তীয় বৰ্ষত দেশত ১৮ হাজাৰ কোটি টকাতকৈও অধিক ডিজিটেল লেনদেন সম্পন্ন হৈছে।

৩। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৬ লাখতকৈ অধিক লোকে এতিয়ালৈকে পি এম ইণ্টাৰ্ণশ্বিপ আঁচনিৰ সুবিধা লাভৰ বাবে আবেদন জনাইছে।

৪। বিগত বিত্তীয় বৰ্ষৰ সময়ছোৱাত দেশত ৫ বছৰ পূৰ্বৰ ৬ শতাংশৰ তুলনাত ৩ দশমিক ২ শতাংশলৈ নিবনুৱাৰ হাৰ হ্ৰাস হৈছে। *আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে দ্বিতীয়বাৰৰ বাবে ১৯ বছৰ অনুৰ্ধ মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ খিতাপ অৰ্জন কৰা দলটোলৈ ৫ কোটি টকাৰ নগদ পুৰস্কাৰ ঘোষণা কৰিছে।

০০০০

ৰাজ্যসভাত আজি সদনৰ যুটীয়া অধিবেশনত ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰা হয়। বিজেপিৰ সদস্য কিৰণ চৌধুৰীয়ে কয়, যে চৰকাৰে কৃষকসকলৰ উপাৰ্জন দুগুণ কৰাৰ উদ্দেশ্যে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে দেশ সম্প্ৰতি প্ৰকৃত অৰ্থত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আগবাঢ়িছে। বিৰোধী নেতা  কংগ্ৰেছৰ  মল্লিকাৰ্জুন খাৰ্গে নিবনুৱা সমস্যা, সামগ্ৰীৰ মূল্যবৃদ্ধি তথা মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাস হোৱাৰ বিষয়ে উত্থাপন কৰে। তেওঁ চৰকাৰক বছৰি ২ কোটি লোকক নিয়োগৰ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি পূৰণ কৰা নাই বুলিও সমালোচনা কৰে। চৰকাৰৰ পৰা উপযুক্ত গুৰুত্ব লাভ কৰা নাই বাবে বহু কৃষকে আত্মহননৰ পথ বাচি লোৱা বুলিও তেওঁ অভিযোগ তোলে। কেন্দ্ৰীয় মন্ত্ৰী পিয়ুছ গোৱেলে কৃষকৰ আত্মহনন সন্দৰ্ভত কয়, যে এন চি আৰ বিৰ তথ্য অনুসৰি ইউ পি এ চৰকাৰৰ শাসনৰ ১০ বছৰৰ তুলনাত এন ডি এ চৰকাৰৰ শাসনকালৰ ১০ বছৰত কৃষকৰ আত্মহননৰ হাৰ ৫৭ শতাংশ অধিক আছিল। মহাকুম্ভৰ শেহতীয়া ঘটনাক লৈ বিৰোধী দলে ৰাজনীতি কৰা বুলিও তেওঁ অভিযোগ তোলে। তৃণমূল কংগ্ৰেছৰ সাংসদ দেৰেক্সো ব্ৰিয়েনে কৃষি, নিযোগ তথা মহিলাৰ সংৰক্ষণৰ দিশসমূহত জড়িত হৈ থকা সমস্যাসমূহ উত্থাপন কৰে। এন ডি এ চৰকাৰৰ শাসনকালত বিগত ৫ বছৰত কৃষিখণ্ডৰ মজুৰী অতি কম পৰিমাণে বৃদ্ধি হোৱা বুলি অভিযোগ তোলে।

০০০০

লোকসভাত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাকালত বিৰোধী দলপতি তথা কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে কয়, যে ৰাষ্ট্ৰপতিৰ ভাষণ বিগত বৰ্ষৰ সৈতে একে আছে।

তেওঁ নিবনুৱা সমস্যাৰ বিষয়টো উত্থাপন কৰি কয়, যে দেশৰ ভৱিষ্যত হৈছে যুৱশক্তি আৰু সেইবাবেই নিবনুৱা বিষয়টোৰ ওপৰত গুৰুত্ব দিয়া উচিত। দেশৰ বিকাশ অব্যাহত থকা বুলি উল্লেখ কৰি ৰাহুল গান্ধীয়ে কয়, যে নিবনুৱাৰ সংখ্যা আগৰ দৰেই আছে আৰু এই ক্ষেত্ৰত চৰকাৰ বিফল হৈছে। তেওঁ কয়, যে মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণক্ষেত্ৰৰ বৰঙণি ১৫ দশমিক ৩ শতাংশৰ পৰা ১২ দশমিক ৬ শতাংশলৈ হ্ৰাস হৈছে আৰু বিগত ৬০ বছৰৰ ভিতৰত ই হৈছে আটাইতকৈ নিম্নতম। চৰকাৰৰ ধ্বজাবাহী আঁচনি মেক ইন ইণ্ডিয়া ধাৰণাটোক প্ৰশংসা কৰি তেওঁ এই ধাৰণা ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হোৱা বুলি সমালোচনা কৰে। সংবিধান দেশৰ সৰ্বোচ্চত বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশ সদায় সংবিধানৰ আধাৰত শাসিত হ'ব। ইয়াৰ আগতে বিজেপিৰ ৰামভীৰ সিঙে মোদী চৰকাৰৰ দ্বাৰা সম্পন্ন হোৱা জনকল্যানমুখী আঁচনিৰ কথা উল্লেখ কৰে। দিল্লীৰ আপ চৰকাৰে আয়ুষ্মান ভাৰত আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ লেখিয়া কেন্দ্ৰীয় আঁচনিসমূহ ৰাষ্ট্ৰীয় ৰাজধানীত ৰূপায়ণ নকৰি জনসাধাৰণক স্বাস্থ্য সেৱা, গৃহ আৰু অন্যান্য সুবিধাৰ পৰা বঞ্চিত কৰা বুলি তেওঁ অভিযোগ কৰে। তেওঁ দিল্লীৰ বায়ু প্ৰদূষণ,বাট পথৰ অৱস্থা আৰু ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ সমস্যাৰ বিষয়সমূহো উত্থাপন কৰে।

০০০০

বিগত বিত্তীয় বৰ্ষত দেশত ১৮ হাজাৰ কোটি টকাতকৈও অধিক ডিজিটেল লেনদেন সম্পন্ন হোৱাৰ জৰিয়তে ৪৪ শতাংশ বাৰ্ষিক বৃদ্ধিক প্ৰতিফলিত হৈছে। বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীয়ে আজি লোকসভাত দিয়া এটা লিখিত উত্তৰত সদৰি কৰে যে, শীঘ্ৰে ধনাদায় সেৱা তথা ৰাষ্ট্ৰীয় ইলেকট্ৰনিক টোল সংগ্ৰহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি পৰিলক্ষিত হৈছে। দেশত ধনৰ ডিজিটেল লেনদেনৰ ক্ষেত্ৰত ইউনিফাইড পেমেণ্ট ইণ্টাৰফেচ, ইউ পি আই অৰ্থাৎ উমৈহতীয়া ধনাদায় মঞ্চৰ উল্লেখযোগ্য বৰঙণি পৰিলক্ষিত হৈছে। তেওঁ লগতে কয় যে, বিগত বিত্তীয় বৰ্ষত ৰূপে ডেবিট কাৰ্ড আৰু লো ভেলু ভীম-ইউ পি আই লেনদেনৰ সংবৰ্ধনৰ বাবে উদগণিমূলক আঁচনিসমূহৰ বাবে ৩ হাজাৰ ৫০০ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে।

০০০০

দেশত বিগত দুবছৰত ৪৭ দশমিক ৯ শতাংশ অধিক বিদেশী পৰ্যটকৰ আগমন ঘটিছে বুলি তথ্য প্ৰকাশিত হৈছে। ২০২৩ চনত ৯৫ লাখ ২০ হাজাৰ বিদেশী পৰ্যটকে ভাৰত ভ্ৰমণ কৰাৰ জৰিয়তে বিগত বৰ্ষৰ তুলনাত ৩১ লাখ অধিক পৰ্যটকৰ আগমনৰ তথ্য প্ৰতিফলিত হৈছে। পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে লোকসভাত এটা লিখিত উত্তৰত জনোৱা অনুসৰি মন্ত্ৰালয়ে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ জৰিয়তে এই বৃদ্ধি সম্ভৱ হৈ উঠিছে। বাংলাদেশৰ পৰা সৰ্বাধিক সংখ্যৰ পৰ্যটকৰ আগমন হোৱাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনৰ পৰাও উল্লেখযোগ্যভাৱে পৰ্যটকৰ সমাগম ঘটিছে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে যে, চলিত বিত্তীয় বৰ্ষত আদৰ্শ পৰ্যটন কেন্দ্ৰৰ বিকাশৰ বাবে মূলধনী বিনিয়োগৰ উদ্দেশ্যে ২৩ খন ৰাজ্যলৈ ৪০ টা প্ৰকল্পৰ অধীনত ৰাজ্যসমূহলৈ ৩ হাজাৰ ২০০ কোটি টকা মঞ্জুৰ কৰা হৈছে।

০০০০

কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি ২০৩০ চনৰ পূৰ্বে কয়লা উৎপাদন এহেজাৰ ৫৩৩ মিলিয়ন টনলৈ বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যসভাত ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ঘৰুৱা কয়লাৰ উৎপাদন ত্বৰান্বিত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ ওপৰত আলোকপাত

কৰে। তেওঁ কয়, যে মন্ত্ৰালয়ে ২০৩০ চনৰ পূৰ্বে ১৪০ মিলিয়ন টন কেঁচা কয়লা উৎপাদনৰ লক্ষ্য লৈছে। কয়লাৰ বৰ্তমানৰ ৰয়েলটি সংশোধন কৰা বিষয়টো পৰীক্ষা কৰিবলৈ গঠিত বিশেষ গোটে এই হাৰ বৃদ্ধিৰ পৰামৰ্শ দিয়া নাই বুলি সদৰি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে এই ক্ষেত্ৰত সন্মতি দিছে।

০০০০

যোৱা বছৰৰ ৩ অক্টোবৰত পি এম ইণ্টাৰ্ণশ্বিপ আঁচনি মুকলি হোৱাৰ পাছত এতিয়ালৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৬ লাখতকৈ অধিক লোকে আবেদন জনোৱা বুলি চৰকাৰে আজি প্ৰকাশ কৰিছে। লোকসভাত এটা লিখিত উত্তৰত কো অপাৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী হৰ্ষ মলহোত্ৰাই কয়, যে ১ লাখ ২৭ হাজাৰ লোকক ইতিমধ্যে এই আঁচনিৰ লাভালাভ প্ৰদান কৰা হৈছে।

০০০০

চৰকাৰে লোকসভাত সদৰি কৰিছে যে, বিগত বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৫ বছৰ পূৰ্বৰ ৬ শতাংশৰ তুলনাত ৩ দশমিক ২ শতাংশলৈ নিবনুৱাৰ হাৰ হ্ৰাস হৈছে। শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শোভা কৰন্দলাজেয়ে এটা লিখিত উত্তৰত জনোৱা অনুসৰি শেহতীয়া পৰ্যায়ক্ৰমৰ শ্ৰম শক্তি সমীক্ষাত ১৫ বছৰ তথা তাতকৈ অধিক বয়সৰ লোকৰ মাজত নিবনুৱাৰ সংখ্যা হ্ৰাস হোৱা বুলি প্ৰকাশিত হৈছে। নিবনুৱা সমস্যা সমাধান কৰিবলৈ চৰকাৰে বিভিন্ন আঁচনি তথা কাৰ্যসূচী হাতত লোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে চলিত বিত্তীয় বৰ্ষত প্ৰধানমন্ত্ৰীৰ দিকদৰ্শনত ৫ খন আঁচনিৰ জৰিয়তে ৪ কোটিতকৈ অধিক যুৱক-যুৱতীক পৰৱৰ্তী ৫ বছৰত নিয়োগৰ সুবিধা, দক্ষতা বিকাশ তথা অন্যান্য সুযোগ দিয়াৰ লক্ষ্য লোৱা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংগীত শিল্পী চন্দ্ৰিকা টেণ্ডনক তেওঁৰ ত্ৰিবেনী এলবামৰ বাবে গ্ৰেমী বঁটা পোৱাত অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত উল্লেখ কৰা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় সংস্কৃতিৰ প্ৰতি শ্ৰীমতী টেণ্ডনৰ আবেগৰ শলাগ লোৱাৰ লগতে সংগীতজ্ঞ হিচাপে লাভ কৰা তেখেতৰ সাফল্যৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে সংগীত শিল্পীগৰাকী বহু লোকৰ বাবে প্ৰেৰণাৰ উৎস বুলিও অভিহিত কৰে।

আমাৰ আগৰ বাতৰিতে উল্লেখ কৰা হৈছে যে, আমেৰিকা নিবাসী ভাৰতীয় মূলৰ কণ্ঠশিল্পী চণ্ডিকা টেণ্ডনে দ্য বেষ্ট নিউ এজ, এম্বিয়েণ্ট অব চাণ্ট এলবাম শাখাত গ্ৰেমী বঁটা লাভ কৰিছে। লছ এঞ্জেলছত CRYPTO.COM এৰেণাত আজি ৬৭ সংখ্যক বাৰ্ষিক গ্ৰেমী বঁটাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। শিল্পীগৰাকীয়ে গ্ৰেমী বঁটাৰ ইতিহাসত সৰ্বাধিক মনোনয়ন পোৱাৰ কৃতিত্ব অৰ্জন কৰিছে। চাব্ৰিনা কাৰপেণ্টাৰে ছৰ্ট এণ্ড ছুইট এলবামটোৰ বাবে প্ৰথমটো গ্ৰেমী বঁটা লাভ কৰিছে। দ্য বীটলছে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা ট্ৰেক নাও এণ্ড ডেনৰ বাবে বেষ্ট ৰক্ পাৰফৰ্মেন্স বঁটা লাভ কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে বিগত বৰ্ষৰ ডিচেম্বৰত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ বিষয়ে ইচ্ছাকৃতভাৱে মিথ্যাৰ আশ্ৰয় লোৱা বুলি অভিযোগ তোলে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে তেওঁ বাইডেন প্ৰশাসনৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা তথা চেক্ৰেটেৰী অৱ ষ্টেটক সাক্ষাৎ কৰিবলৈ গৈছিল। তেওঁ কয়, যে তেওঁৰ ভ্ৰমণকালত কোনো পৰ্যায়তে প্ৰধানমন্ত্ৰীৰ আমন্ত্ৰণৰ

বিষয়টো আলোচনা হোৱা নাছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এনে ধৰণৰ অনুষ্ঠানত অংশগ্ৰহণ নকৰাটো সৰ্বজন বিদিত বুলি তেওঁ উল্লেখ কৰে। ৰাহুল গান্ধীয়ে ৰাজনৈতিক কাৰণত মিথ্যাৰ আশ্ৰয় ললেও আন্তৰ্জাতিক পৰ্যায়ত ইয়াৰ জৰিয়তে দেশৰ সন্মানত আঘাত লগা বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে দ্বিতীয়বাৰৰ বাবে ১৯ বছৰ অনুৰ্ধ মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ খিতাপ অৰ্জন কৰা দলটোলৈ ৫ কোটি টকাৰ নগদ পুৰস্কাৰ ঘোষণা কৰিছে। উল্লেখযোগ্য যে ২০২৩ চনত শ্বেফালী বাৰ্মাৰ নেতৃত্বত ভাৰতীয় মহিলা দলটোৱে প্ৰথমবাৰৰ বাবে এই খিতাপ অৰ্জন কৰিছিল।

০০০০

ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত পঞ্জাৱৰ শ্বুটাৰ ছিফট্ কৌৰ চম্ৰাই মহিলাৰ ৫০ মিটাৰ থ্ৰি পজিচনত সোণৰ পদক অৰ্জন কৰে। পুৰুষৰ ১০ মিটাৰ পিষ্টল শাখাত কৰ্ণাটকৰ জনাথন এন্থনীয়ে সোণৰ পদক লাভ কৰে। প্ৰতিযোগিতাৰ পদকৰ দৌৰত চাৰ্ভিছেছে এতিয়াও শীৰ্ষ স্থান দখল কৰি আছে। কৰ্ণাটক দ্বিতীয় স্থানত, মহাৰাষ্ট্ৰ তৃতীয় স্থানত আছে।

০০০০

সমাপ্ত